জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ২৫০/২০২২

## উত্তৰ গুৱাহাটীৰ ৰংমহল কৰৰাত আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## শ্ৰীশ্ৰী দীৰ্ঘেশ্বৰী দেৱালয়ৰ বাবে ৫০ লাখ টকা ঘোষণা কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২৩ আগষ্ট ঃ** ২০২৬ চনৰ ভিতৰত ৰাজ্যখনত ১৫ হাজাৰ টা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ স্থাপনৰ বাবে ৰাজ্য চৰকাৰে লোৱা পদক্ষেপৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি উত্তৰ-গুৱাহাটীৰ ৰংমহলত এটি আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ শুভ উদ্বোধন কৰে।

শিশুসকলৰ বৌদ্ধিক, শাৰীৰিক, আৰোগিক আৰু শৈক্ষিক বিকাশৰ বাবে চন্দ্ৰপুৰ কৰৰা সংহত শিশু বিকাশ আঁচনিৰ অধীনত ৰংহমলৰ আঠগাঁৱত ২৫ লাখ টকা ব্যয় সাপেক্ষে এই অংগনৱাড়ী কেন্দ্ৰটো নিৰ্মাণ কৰা হৈছে। উল্লেখ্য যে ৰাজ্যখনত ১৫ হাজাৰ আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ গঢ়ি তোলাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই যোৱা ১৪ আগষ্টত পলাশবাৰীত আয়োজিত এক কেন্দ্ৰীয় অনুষ্ঠানত প্ৰায় ১ হাজাৰটা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ উদ্বোধন কৰিছিল।

মুখ্যমন্ত্ৰীয়ে আজি ৰংমহল উচ্চ মাধ্যমিক বিদ্যালয়লৈ গৈ বিদ্যালয়খনত নতুনকৈ নিৰ্মীয়মান ভৱনৰ কামো পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে নতুন শৈক্ষিক বৰ্ষ আৰম্ভ হোৱাৰ পূৰ্বে উন্নত মানদণ্ডৰে কাম সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্ট নিৰ্মাণকাৰী সংস্থাক নিৰ্দেশ দিয়ে। তেওঁ কয় যে এই গৃহটো নিৰ্মাণ হৈ উঠিলে বিদ্যালয়খনৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে উন্নত মানদণ্ডৰ শ্ৰেণীকোঠাত বহি শিক্ষা গ্ৰহণ কৰিব পাৰিব।

মুখ্যমন্ত্ৰীয়ে ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰৰ প্ৰত্নত্বাত্তিক স্থান শ্ৰীশ্ৰী দীৰ্ঘেশ্বৰী দেৱালয় পৰিদৰ্শন কৰি ৰাজ্যখনৰ জনসাধাৰণৰ কুশল-মংগল কামনা কৰি পূজা আগবঢ়ায়। তেওঁ দক্ষিণা কালী মহাযজ্ঞ উপলক্ষে প্ৰস্তুত কৰি উলিওৱা এখন স্মৃতিগ্ৰন্থও দেৱালয় প্ৰাংগণত উন্মোচন কৰে। মুখ্যমন্ত্ৰীয়ে দেৱালয়খনৰ ভোগঘৰৰ বাবে ৫০ লাখ টকাৰ অনুদানৰ কথাও ঘোষণা কৰে।

মুখ্যমন্ত্ৰীয়ে তেওঁৰ এই ভ্ৰমণকালত উত্তৰ গুৱাহাটী নিবাসী অৱসৰপ্ৰাপ্ত পশু চিকিৎসক তথা সমাজকৰ্মী প্ৰয়াত প্ৰফুল্ল বুঢ়াগোঁহাইৰ বাসগৃহলৈ গৈ শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰাৰ লগতে তেওঁলোকৰ সৈতে মত-বিনিময় কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে তেওঁৰ মৃত্যু সমাজ জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি। মুখ্যমন্ত্ৰীয়ে অলপতে পৰলোকপ্ৰাপ্তি ঘটা বিশিষ্ট সমাজকৰ্মী ৰজত ডেকাৰ গৃহলৈ গৈয়ো শোকসন্তপ্ত পৰিয়ালবৰ্গৰ সৈতে মত-বিনিময় কৰাৰ লগতে গভীৰ সমবেদনা জ্ঞাপন কৰে।

**সুঃদঃ / পুঃডেঃ**
**২৩/০৮/২০২২**